**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-02-2026**
**Time : 9.00 Hrs.**

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি মৰাণ আৰু গুৱাহাটীত ৫ হাজাৰ ৫৫০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন।

২। ৰাজ্যৰ ২৬টা পথ আৰু দলং নিৰ্মাণ প্ৰকল্প সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰায় ৭৪৮ কোটি টকাৰ আৱণ্টন।

৩। মা কামাখ্যা অত্যাধুনিক কৰিডৰ নিৰ্মাণৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰাজ্য চৰকাৰক সেউজ সংকেত প্ৰদান।

৪। পৰহিলৈৰ পৰা অসম বিধানসভাৰ চমু বাজেট অধিবেশন।

**আৰু**

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত এখন খেলত নেডাৰলেণ্ডছৰ বিৰুদ্ধে আমেৰিকাৰ ৯৩ ৰানত জয়লাভ। ০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। শ্ৰীমোদীয়ে প্ৰায় চাৰে ১০ বজাত ডিব্ৰুগড় জিলাৰ মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে যুদ্ধ বিমান, পৰিবহণ বিমান আৰু হেলিকপ্তাৰৰ এয়াৰ শ্ব' উপভোগ কৰিব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড$^{o}$ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। প্ৰধানমন্ত্ৰীৰ মৰাণৰ কাৰ্যসূচী সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়--
**বাইট (চি এম)**

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব। শ্ৰীমোদীয়ে গুৱাহাটীত ৫ হাজাৰ ৪৫০ কোটি টকাৰো অধিক ধন ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। লাচিত ঘাটত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড$^{o}$ শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব। তেওঁ লগতে পি এম ই-বাছ সেৱাৰ অধীনত ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে আমিনগাঁৱত এটা ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰ মুকলি কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ ই-প্ৰশাসন প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণৰ হকে ৩৮৪ কোটি টকা ব্যয় সাপেক্ষে এই কেন্দ্ৰটো নিৰ্মাণ কৰি উলিওয়া হৈছে। এই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা—**ভইচকাষ্ট (হেমন্ত বৰা)**

প্ৰধানমন্ত্ৰীয়ে আজি উদ্বোধন কৰিবলগীয়া এই উন্নয়নমূলক প্ৰকল্পসমূহ উত্তৰ-পূৰ্বাঞ্চল খণ্ডৰ যোগাযোগ, ডিজিটেল আন্তঃগাঁথনি, উচ্চ শিক্ষাৰ প্ৰসাৰ তথা ৰাজহুৱা যাতায়াত ব্যৱস্থাৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব। ০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত বিজেপিৰ দলীয় কৰ্মীসকলৰ ‘বুথ বিজয় সংকল্প সভা’ অনুষ্ঠিত হ’ব। এই সভাত দলটোৰ ৮৬ হাজাৰ কৰ্মকৰ্তাই নিৰ্বাচনত জয়ৰ সংকল্প ল’ব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। নিৰ্বাচনৰ প্ৰাকক্ষণত এই সংকল্প সভাত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণে দলীয় কৰ্মকৰ্তাসকলক নতুন উদ্যম যোগাব বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৰাজ্য ২৬ টা পথ আৰু দলং নিৰ্মাণ প্ৰকল্প সম্পূৰ্ণ কৰিবলৈ প্ৰায় ৭৪৮ কোটি টকা মোকলাই দিয়াৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ১০ টা পথ উন্নয়ন প্ৰকল্পৰ বাবে ৬১৭ কোটি ৯৮ লাখ টকা আৰু ১৬ খন দলঙৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ বাবে ১২৯ কোটি ৭৪ টকাৰ অনুমোদন জনোৱা হৈছে। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেৰে সুংৰগ পথ নিৰ্মাণৰ বাবেও কেন্দ্ৰীয় মন্ত্ৰীসভাই শীঘ্ৰেই বৃহৎ পৰিমাণৰ ধনৰাশি অনুমোদন জনোৱাৰ আশা আছে বুলি তেওঁ লগতে প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যৰ যোগাযোগ আৰু পৰিবহণৰ কাৰ্য্যক্ষমতা উন্নত হোৱাৰ লগতে ভ্ৰমণৰ সময় ভালেখিনি হ্ৰাস পাব বুলি আশা কৰা হৈছে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পি এম ডিভাইন আঁচনিৰ অধীনত মা কামাখ্যা অত্যাধুনিক কৰিডৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰক সেউজ সংকেত প্ৰদান কৰিছে। এই কৰিডৰ নিৰ্মাণৰ ফলত কামাখ্যা মন্দিৰৰ মূল গাঁথনিৰ কোনোধৰণৰ পৰিৱৰ্তন বা ক্ষয়-ক্ষতি নহয় বুলি ৰাজ্য চৰকাৰে আশ্বাস দিয়াৰ পাছতে উচ্চ ন্যায়ালয়ে সেউজ সংকেত প্ৰদান কৰে। এই বিষয়ে ৰাজ্য চৰকাৰৰ মহাঅধিবক্তা দেৱজিৎ শইকীয়াই সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট (দেৱজিৎ শইকীয়া)**

উল্লেখযোগ্য যে এই কৰিডৰ নিৰ্মাণৰ ফলত কামাখ্যা মন্দিৰ আৰু দশ মহাবিদ্যা মন্দিৰৰ পুৰণি গাঁথনি আৰু মন্দিৰৰ ভিতৰৰ জলধাৰাত প্ৰভাৱ পৰাৰ আশংকাৰে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন আৰু এখন লেখ আবেদন দাখিল কৰা হৈছিল। এই আবেদনসমূহৰ শুনানিকালত মহাঅধিবক্তা দেৱজিৎ শইকীয়াই আই আই টি গুৱাহাটীয়ে অনুমোদন জনোৱা নক্সা আৰু আৰ্হিৰ ভিত্তিত এই কৰিডৰ প্ৰকল্প নিৰ্মাণ হ’ব বুলি আদালতক অৱগত কৰে।

০০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হ’ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ’বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ’ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান বাজেট উত্থাপন কৰা হ’ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তী মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰী দিয়া হ’ব। অহা মে’ত নতুন চৰকাৰে শপত লোৱাৰ পাছত পৰৱৰ্তী বাজেট দাখিল কৰা হ’ব। ১৭ ফেব্ৰুৱাৰীত লেখানুদান দাখিলৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ’ব।

০০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ মুঠ ৭ হাজাৰ ৯৬৪ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ’ব। এই উপলক্ষে নগাঁৰৰ নেহৰুবালীত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকা আৰু কৃষ্ণেন্দু পালে অংশগ্ৰহণ কৰিব। কাইলৈ মৰিগাঁও জিলাৰ এহেজাৰ ৯৪৪ গৰাকী, নগাঁও জিলাৰ ৪ হাজাৰ ১৯৬ গৰাকী আৰু হোজাৰ জিলাৰ এহেজাৰ ৮২৪ গৰাকী সম্ভাব্য উদ্যোগীৰ মাজত ধনৰাশি বিতৰণ কৰা হ’ব। এই

আঁচনিৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

০০০০০০০০

Film Award / Rnu (14-02-2026) Mor.

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। টিংখাঙত এখন সংবাদমেলযোগে মন্ত্ৰী শ্ৰী বৰাই ২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰা সাংস্কৃতিক কৰ্মী আৰু চলচ্চিত্ৰৰ নামসমূহ প্ৰকাশ কৰে। **বেলকনিত ভগৱান** ছবিখনে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰে। **শব্দ নিশব্দ কোলাহল** ছবিখনক ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হয়। **ধনজিৎ দাসে** ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। **শংকু ৰাজকোঁৱৰ** আৰু **জুবলি বৰুৱা**ক ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা আগবঢ়োৱা হৈছে। **ৰাজদ্বীপে** ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা লাভ কৰে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা **হৰিশ খান্না** আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা **মন্দাকিনী গোস্বামী**য়ে লাভ কৰে। কাইলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভিয্যপূৰ্ণ অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। এই বঁটাত থাকিব এখন প্ৰশস্তি পত্ৰৰ লগতে ৫০ হাজাৰ টকাৰ পৰা ২ লাখ টকাকৈ আৰ্থিক সাহাৰ্য্য। এই বঁটাৰ উপৰি ৰাজ্যৰ মুঠ ১০ টা ছবি গৃহলৈ ৫০ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব বুলি মন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়ে। ০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বোৰ ভাৰতীয় উচ্চায়োগত থকা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড$^{o}$ অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

চলিত বৰ্ষৰ এপ্ৰিলত গুৱাহাটীত জল নিষ্কাষণ ব্যৱস্থা সম্পূৰ্ণ হ'ব। ৰাজ্য চৰকাৰে এখন শপতনামাৰ জৰিয়তে গুৱাহাটী উচ্চ ন্যায়ালয়ক এই কথা অৱগত কৰিছে। গুৱাহাটী মহানগৰীত জল নিষ্কাষণ ব্যৱস্থা সম্পন্ন কৰাৰ বাবে ৬ খন নদী অৱবাহিকা সামৰি ড্ৰোণ সমীক্ষা চলাই থকা হৈছে। বাহিনী নৈৰ বাবে কৰা ব্যাপক প্ৰকল্প প্ৰতিবেদন ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু এটা প্ৰকল্পৰ প্ৰস্তাৱ লোৱা হৈছে বুলি চৰকাৰৰ শপতনামাখনত উল্লেখ কৰা হৈছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীৰ খণ্ড বিচাৰপীঠৰ শুনানতি এই কথা পোহৰলৈ আহিছে। নৰ্থ ইষ্ট ইক ডেভেলপমেণ্ট চছাইটিয়ে দাখিল কৰা এখন জনস্বাৰ্থজড়িত আবেদনৰ শুনানিত চৰকাৰৰ এই পদক্ষেপৰ অগ্ৰগতি সম্পৰ্কে জানিব পৰা গৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ বিভিন্ন অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে চৰকাৰৰ পদক্ষেপ সন্দৰ্ভত এই জনস্বাৰ্থজড়িত আবেদনখন দাখিল কৰা হৈছে।

০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত আমেৰিকাই নেদাৰলেণ্ড ছক ৯৩ ৰাণত পৰাজিত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমেৰিকাই নিৰ্ধাৰিত ২০ অ 'ভাৰত ৬টা উইকেটৰ বিনিময়ত ১৯৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেদাৰলেণ্ড ছে ১৬ অ'ভাৰতে আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১০৩ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে কালি দিল্লীত অনুষ্ঠিত এখন খেলত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই কানাডাক ৫ উইকেটত আৰু কলম্বোত অনুষ্ঠিত আন এখন খেলত জিম্বাবোৱেই অষ্ট্ৰেলিয়াক ২৩ ৰাণত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি দিনৰ ১১ বজাত শ্ৰীলংকাৰ এছ এছ চি ক্ৰিকেট গ্ৰাউণ্ডত হবলগীয়া এখন খেলত আয়াৰলেণ্ড ওমানৰ বিৰুদ্ধে আৱতীৰ্ণ হ'ব। বিয়লি ৩ বজাত কলকাতাৰ ইডেন গাৰ্ডেচনছত ইংলেণ্ড আৰু স্কটলেণ্ড মুখামুখি হব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হবলগীয়া আজিৰ তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব।খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হব।০০০০০০

News paper review (14-02-2026) Mor

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অসম ভ্ৰমণ, বাংলাদেশৰ নিৰ্বাচনত বি এন পি ৰ জয়, ৰাজ্যিক চলচ্চিত্ৰ বঁটা ঘোষণা আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকত সমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা ঘোষণা।বেলকনিত ভগৱান, শব্দ-নিশব্দ কোলাহল শ্ৰেষ্ঠ ছবি ৰূপে পৰিগণিত- এই বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ লগতে আটাইবোৰ কাকতে প্ৰকাশ কৰিছে।

স্বাধীনতাৰ ৭৮ বছৰ পাছত দেশৰ শাসনৰ কেন্দ্ৰ সলনি হয়। প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়ৰ নতুন ঠিকনা হ'ল সেৱা তীৰ্থ। দৈনিক অসম কাকতে এই বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

বি টি চিৰ দ্বিতীয় ৰাজধানী হ'ব ওডালগুৰি। কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বি টি চি মিনি সচিবালয়ৰ আধাৰশিলা স্থাপন কৰে। দৈনিক জনমভূমি কাকতে এই বাতৰি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি অসমত ৫ হাজাৰ ৪শ ৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব। বাতৰিটো দা ছেণ্টিনেল কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে অসমৰ পথ উন্নয়নৰ বাবে ৭৪৮ কোটি টকাৰ কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱাৰ বাতৰি প্ৰকাশ কৰিছে। বাংলাদেশত নিৰকুংশ সংখ্যাগৰিষ্ঠতাৰে সদ্য সমাপ্ত নিৰ্বাচনত বি এন পিৰ বিজয়। পৰৱৰ্তী প্ৰধান মন্ত্ৰী হ'ব তাৰিক ৰহমান। এই বাতৰি অসমীয়া খবৰ, দা আসাম ট্ৰিবিউন, দৈনিত অগ্ৰদূত আদি কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

০০০০

বিশ্বনাথ চাৰিআলিৰ সন্মিলিত নাগৰিক মঞ্চই কালি বিশ্বনাথৰ কেইবাগৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰলৈ বিশ্বনাথ শিৰোমণি আৰু বিশিষ্ট প্ৰকৃতি প্ৰেমী কুমুদ বৰুৱাক বৃক্ষ বন্ধু সন্মানেৰে বিভূষিত কৰে। এই বিশিষ্ট ব্যক্তি সকলক কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত আয়োজিত এখন সভাত এই সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। গছ পুলি ৰোপনেৰে সেউজ পৰিৱেশ সৃষ্টিত আগভাগ লোৱা কুমুদ বৰুৱাৰ কৰ্মৰাজি সন্দৰ্ভতো সভাত আলোকপাত কৰা হয়। বিশ্বনাথৰ সামগ্ৰিক উন্নয়নৰ বাবে বিধায়ক প্ৰমোদ বৰঠাকুৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ স্বীকৃতি স্বৰূপে তেওঁক এই অভিধা প্ৰদান কৰা হয়।

০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০